জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৩৩/২০২২**

# বিশিষ্ট ব্যক্তি, ৰাজনীতিক, সমাজকৰ্মীৰ গৃহলৈ গৈ জাতীয় পতাকা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১১ আগষ্ট ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱ উদ্‌যাপনৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানমৰ্মে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত কেইবাগৰাকী বিশিষ্ট ব্যক্তি, ৰাজনীতিক, সমাজকৰ্মীৰ গৃহত উপস্থিত হৈ জাতীয় পতাকা প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে পোনতে বিশিষ্ট সমাজকৰ্মী তথা পদ্মশ্ৰী অজয় কুমাৰ দত্তৰ পাণবজাৰস্থ গৃহলৈ গৈ জাতীয় পতাকা প্ৰদান কৰাৰ লগতে তেওঁৰ সৈতে বাৰ্তালাপ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে বিশিষ্ট অধিবক্তা দিলীপ হাজৰিকাৰ উজানবজাৰস্থ বাসভৱনলৈ গৈ 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ অংশ হিচাপে জাতীয় পতাকা প্ৰদান কৰাৰ লগতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ প্ৰাক্তন অধ্যক্ষ ধীৰেন বৰুৱাৰ আমবাৰীস্থিত বাসভৱনলৈ গৈ তেখেতৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে জাতীয় পতাকা প্ৰদান কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন সাংসদ বিজয়া চক্ৰৱৰ্তীৰ বামুণীমৈদামস্থিত বাসভৱনলৈ গৈ স্বাধীনতাৰ অমৃত মহোৎসৱৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে জাতীয় পতাকা উপহাৰ হিচাপে আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন সাংসদগৰাকী স্বাস্থ্যৰো বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে প্ৰবীণ ৰাজনীতিবিদ উদ্ধৱ বৰ্মনৰ বামুণীমৈদানস্থিত বাসভৱনলৈ গৈ জাতীয় পতাকা প্ৰদান কৰাৰ লগতে সৌহাৰ্দ্যমূলক বাৰ্তালাপ কৰে।

এই সাক্ষাৎকালত ৰাজ্য সভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্তও উপস্থিত থাকে।

অঃহাঃ / পুঃডেঃ
**১১/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in